অন্তৰৰ সংগীত হাঁহি

ধন-সম্পত্তি দিনে দিনে বাঢ়ি যায় সুখ-শান্তি দিনে-দিনে কমি যায়

এৰা ! হাঁহি হাঁহি জীয়াই থাকিব পৰাটো কম চমৎকাৰ কথানে! হাস্যমধুৰ জীৱন এটা কম সুখদায়কনে? এপাহ ফুলি থকা গোলাপ ফুলৰ আনন্দদায়ক প্ৰাকৃতিক ভাষা বুজিব পৰাটো কি যে সুখকৰ অনুভূতি। এই প্ৰাকৃতিক ভাষাই মানুহৰ মানৱীয় সত্তাক সন্মোহন কৰে। সুখ-সন্তুষ্টি দিব পাৰে এই ভাষাই।

জয়কান্ত শৰ্মা

চিৰসুন্দৰ প্ৰকৃতিৰ নিৰ্মল সান্নিধ্যত জীৱ-প্ৰকৃতিয়ে লক্ষ বছৰ ধৰি জীৱন ব্যতিত কৰি আহিছে। তাৰ মাজতে জীয়াই আছে মানুহ নামৰ শ্ৰেষ্ঠ জীৱবিধ। চিৰশাশ্বত প্ৰকৃতিৰ এই বিস্ময়কৰ সৃষ্টি হ'ল মানুহ। মানুহে মানৱ জীৱনৰ মহত্ত্বৰ গুৰুত্ব উপলব্ধি কৰি মানৱীয় গুণসমূহ নিজৰ মাজতে বিকশাই তুলিবলৈ সক্ষম হৈছে। মানুহে মানৱীয় গুণ, মূল্যবোধ আৰু মানৱীয় সম্পদসমূহেৰে নিজকে মহীয়ান কৰি তুলিছে।

আমাৰ সকলোৰে জ্ঞাত যে সুৰুচিসম্পন্ন ব্যক্তিসকলে সমগ্ৰ জীৱনটো আনন্দ, উলাহ আৰু হাঁহিৰে পৰিপূৰ্ণ কৰি ৰাখে। ৰাখিবলৈ সদায় চেষ্টা কৰে নিজকে সুখ সমুদ্ৰত বুৰায়। অলপমান ৰস, অকণমান আনন্দ আৰু এধানিমান প্ৰাণৱন্ত উল্লাসে মানুহক হাঁহিব পৰা জীৱনী শক্তিৰ যোগান ধৰে। সু-সংস্কৃত ৰুচিবোধ, ক্ষুদ্ৰ ক্ষুদ্ৰ অনুভূতি আৰু তীক্ষ্ণ সংবেদনশীলতাই মানুহৰ অন্তৰত অহৰ্নিশে উল্লাস জগায়, হাস্যোজ্জ্বল কৰি ৰাখে। অমলিন মানুহবোৰৰ হৃদয় পৰিধিত হাঁহিৰ সঁফুৰাই দোলা দি থাকে। হাঁহিৰ প্ৰাণৱন্ত শক্তিয়ে অনবৰত অন্তৰত হেঁচা প্ৰয়োগ কৰি বিস্ফোৰণ ঘটায়।

পৃথিৱীৰ আভ্যন্তৰৰ উত্তপ্ত গলিত লাভাই অহৰ্নিশে আলোড়ন তোলে। পৃথিৱীৰ খোলাটোত অহৰহ চাপৰ সৃষ্টি কৰে। প্ৰচণ্ড তাপ আৰু চাপৰ ফলত সেই গলিত উত্তপ্ত লাভাই উদ্‌গীৰণৰ বাবে সুৰুঙা বিচাৰি থাকে। ঠিক তেনেদৰে অন্তৰৰ অন্তঃস্থ কোণত সংগীতৰ মূৰ্ছনাই শৰীৰৰ অংগ-প্ৰতংগবোৰত সুৰৰ ঝংকাৰ তোলে। সমস্ত স্নায়ুতন্ত্ৰক সক্ৰিয় কৰি ৰাখে। অন্তৰত আলোড়ন তোলা মধুৰ মূৰ্ছনাৰ আৰোহণ আৰু অৱৰোহণত ঘনেপতি মানুহৰ মুখমণ্ডল আলোক উজ্জ্বল কৰি তোলে।

উল্লাসিত হৃদয়ৰ পৰা হঠাৎ বিস্ফোৰণ হোৱা হাঁহিৰ ফুলজাৰিকে ইয়াত অন্তৰৰ সংগীত বুলি কোৱা হৈছে। চিত্ত বৃত্তিক চঞ্চল কৰা চিত্তাকৰ্ষক হাঁহিটিয়ে হৈছে অন্তৰৰ গীত। হৃদয় গান। এই সংগীতৰ সাধকবোৰ কেতিয়াও গৰিব নহয়। কোটি কোটি টকাৰ গৰাকীজনতকৈ তেওঁ বেছি ধনী। তেওঁলোক মানী। আমাৰ দৃষ্টিত তেওঁলোক নিশ্চয় সুখ-সম্পদ, আনন্দ-উলাহ তৃপ্ত সদাগৰ।

অন্তৰত সংগোপনে ৰখা মধুৰ সংগীত যেতিয়া হাঁহিৰ ৰূপত তৃপ্ত ওঁঠত প্ৰস্ফুটিত হয় সেই মুহূৰ্ততে সি বিশ্ব-বিমোহন ৰূপ লয়। সমস্ত সুখানুভৱৰ কেন্দ্ৰস্থল মানুহৰ হৃদয়খন প্ৰকৃততে এখন অমৃত ভাণ্ডাৰ বুলি ক'লেও ভুল কোৱা নহয়। সেই অমৃতৰ ভঁৰালৰ পৰা সুধা পান কৰিবলৈ আমাক সুখ-সন্তুষ্টিৰ লগতে লাগে লগ, সৎ সংগ। সুধামৃত অকলে পান কৰাত সুখ নাই। বন্ধু-বান্ধৱ, লগ-সংগৰ লগত ভাগ কৰি ভোগ কৰিলেহে ই পৰম তৃপ্তিদায়ক হয়। সন্তোষ পোৱা যায় আনন্দ-সুখ ভাগ কৰি ল'ব পাৰিলেহে। অকলশৰীয়া সুখ একপ্ৰকাৰ অসুখ, দুখৰ বোজা। আমি সাধাৰণ মানুহবোৰে অতীতৰ অদৰকাৰী বোজাবোৰ মিছাতে বহন কৰি থাকো। বৰ্তমানৰ গধুৰ বোজাটোতো আমাৰ লগত থাকেই......ভাবকচোন! বৰ্তমান নতুন অতীত, যিহৰ বা যেতিয়াৰে নহওক অপ্ৰয়োজনীয় অলাগতিয়াল বোজাবোৰ বহন কৰি কৰি আমি বাৰু কোঙা হৈ পৰা নাইনে? জীৱনবোৰ দুখময় আৰু দুৰ্বিষহ কৰি তোলা নাইনে?

সুখ-শান্তি আৰু সম্পদ বৃদ্ধিৰ বাবে মানুহে চিৰকাল সংগ্ৰাম কৰি আহিছে যদিও বাৰে বাৰে বিফল মনোৰথ হ'ব লগাত পৰিছে। শান্তি-সুখ লাভ কৰাত অপাৰগতা প্ৰকাশ কৰিবলৈ বাধ্য হৈছে। সুখ-শান্তি বিচাৰি বিচাৰি পাইছে দুখৰ উপৰি দুখ। পাইছে ভীষণ অশান্তি। ইয়াৰো অৱশ্যে কাৰণ নথকা নহয়-আছে। সম্পদ বুলি ক'লে মানুহে স্বাভাৱিকতে ধাৰণা কৰি লয় টকা-পইচা, ধন-সোণ, গাড়ী-ঘোঁৰা, অট্টালিকা ইত্যাদি। এইবোৰ আচলতে অস্থায়ী সম্পত্তিহে-সম্পদ নহয়। ধন-সম্পত্তিৰ শত্ৰু অনেক, গতিকে গৰাকীও অনেক। সম্পত্তি হেৰুওৱাৰ ভয়ে মানুহক সদায় খাই মাৰে।

ইয়াত আমি যি সম্পদৰ কথা ক'ব্‌লৈ ওলাইছো সেইবোৰ হ'ল মানুহৰ মানৱীয় গুণসমূহ। মানৱীয় গুণ বুলিলে হৃদয়ত ওপজা প্ৰেম, দয়া-কৰুণা, শ্ৰদ্ধা-ভক্তি, সততা-নিষ্ঠা ইত্যাদিকহে বুজোৱা হয়। এই গুণ বা মানৱীয় সম্পদৰ শত্ৰু নাই। ইয়াৰ পৰা বিপদ আহিব পৰাৰো কোনো আশংকা নাই।

এন্দুৰ-নিগনিৰ দৰে ধন-সম্পত্তি এসোপামান জমা কৰি খাবও নোৱাৰে, চাই থাকিবও নোৱাৰে, কাকো দিবও নোৱাৰে, চৰকাৰী ঘৰত থ'ব লাগিলেও ধৰা পৰে। মাটিৰ তলৰ ধান গাজি যায়, পাহাৰসম ধন উঁয়ে খায়। কোনোফালে উপায় নাই। ধন-সম্পত্তি দিনে-দিনে বাঢ়ি যায়, সুখ-শান্তি দিনে-দিনে কমি যায়। দুশ্চিন্তাত ভুগি ভুগি নিশা টোপনি নাই। হায়! মানৱ জীৱন! তোমাৰ যে সুখ ক'তো নাই।



সেই কাৰণেই মানুহে সদায় সম্পদৰাজি বঢ়োৱাতহে গুৰুত্ব আৰোপ কৰিব লাগে। ইচ্ছা কৰিলেই আমি মানৱীয় গুণ অৰ্থাৎ সম্পদসমূহৰ শ্ৰীবৃদ্ধি আমাৰ মাজতে কৰিব পাৰো। প্ৰকৃততে এই গুণ-ধৰ্মসমূহেহে সংসাৰ পথ সুচল কৰি তুলিব পাৰে। এইবোৰে জীৱনবোৰ সুখময় কৰিব পাৰে। লগতে আমাৰ জীৱনবোৰ আধাতে অন্ত নেপেলাই দীৰ্ঘজীৱী কৰিব পাৰো। জীৱনটো সদায় উদ্‌যাপন কৰিব পাৰোহক।

এই যুগ প্ৰতিযোগিতাৰ যুগ। চমক সৃষ্টিৰে বাঃ বাঃ লোৱাৰ যুগ। ধন-সম্পত্তিৰ পাহাৰ গঢ়া যুগ। ছলে-বলে-কৌশলে ক্ষমতা আহৰণ কৰি সেই ক্ষমতাৰ অপ-প্ৰয়োগ কৰা যুগ। লৰা-ঢপৰা, খৰ-খেদাৰ যুগ। উথপ্‌থপৰ যুগ। সৰলতা আৰু ঋজু হেৰুওৱাৰ যুগ। জটিল আৰু পাক লগা চিন্তাক প্ৰাধান্য দিয়া যুগ। মুঠতে মানৱীয় সম্পদ হেৰুওৱাৰ যুগ। অন্তৰৰ সংগীত হাঁহিব পাহৰা সময় এয়া।

আমাৰ দৰে বহুতে অন্তৰ সংগীত পাহৰি যাব নোখোজে। সেই গীত নিজে নিজৰ অন্তৰতে শুনিব খোজে। হাঁহিৰ ৰূপত দৰ্শন কৰিব খোজে অন্তৰৰ পৰা নিগৰি বৈ অহা সেই সুমধুৰ গীতটি। এই জটিল, সংকটপূৰ্ণ আৰু চাৰিওফালে চলি থকা প্ৰতিযোগিতাৰ বতৰত আপুনি যদি অকণমান অন্তৰৰ সংগীত শুনিব পাৰে আপুনিয়ে পৰম ভাগ্যবান বুলি ভাবক। আপোনাৰ দৰে পৰম সৌভাগ্যশালী ব্যক্তি কোনো নাই।

আমি জানো মানুহৰ অমলিন হৃদয়ত বেয়া কথা নতুবা কামৰ কাৰখানা থাকিব নোৱাৰে। মুখৰ প্ৰশান্তভাব অন্তৰৰ স্বচ্ছতা আৰু দেহৰ সঞ্চালনত বুজিব পাৰি আপুনি নিক্ষেপ কৰা হাঁহিটোৰ উৎপত্তি স্থল ক'ত। আপোনাৰ ওঁঠত বিৰিঙি উঠা হাঁহিৰ সু-শৃংখল ফিৰিঙতিয়ে যেন সকলোকে হাস্যোজ্জ্বল কৰি তুলিব পাৰে তাত কোনো সন্দেহ নাই আৰু সন্দেহ নাই সেই হাঁহিটি যে আপোনাৰ অন্তৰত সাঁচি ৰখা আপুৰুগীয়া সম্পদৰ বাহিৰে আন একো নহয়। সেইটোৰেই হয়তো আপোনাৰ আটকীয়া ধন।

আমি মানুহবোৰ একালত উপকাৰ কৰাজনক কৃতজ্ঞতা জ্ঞাপন কৰাত কাৰ্পণ্য কৰিব নালাগে। প্ৰশংসাৰ দাবীদাৰজনক প্ৰশংসা কৰাতো হোহঁকা মাৰিব নালাগে। সুন্দৰ ভাষাৰে, শুৱলা মাত-কথাৰে হাঁহি-মাতি শুভেচ্ছা জনোৱাতো আমাৰ দায়িত্বৰ ভিতৰলৈ আনিব পৰাতো আমাৰ কাৰণেই মংগল। শুভাকাংক্ষীৰ কৃতজ্ঞতা জ্ঞাপনে কামত কৃতিত্ব লভা ব্যক্তিজনক কামৰ সাফল্য আৰু পূৰ্ণতাপ্ৰাপ্তি আনি দিয়ে। লোকৰ প্ৰশংসা আৰু আন্তৰিক শুভেচ্ছাই কৰ্তাৰ মনক উজ্জীৱিত কৰে। আগৰ দুগুণ প্ৰেৰণা পাই কামৰ পূৰ্ণতা অনাত।

যোগ্যজনক মৰম-আদৰেৰে আলফুলে শলাগৰ শৰাই আগবঢ়ালে গ্ৰহণ কৰোতাই স্বৰ্গ হাততে চুকি পায়। পৰম তৃপ্তিৰ হাঁহি স্বাভাৱিকভাৱে মুখমণ্ডলত বিস্তাৰিত হৈ যায়।

শুভাকাংক্ষীৰ শুভেচ্ছা, প্ৰশংসা আৰু কৃতজ্ঞতাই সকলো দুখ-কষ্ট পাহৰায়। হেৰুওৱা শক্তি ঘূৰাই পায়। জীৱনৰ বন্তিগছি জ্বলে তিৰবিৰাই। জিলমিল জোনাকত জোনাকীৰ যাদুৰে জীৱন পোহৰায়।

বন্ধু-বান্ধৱ, ওচৰ-চুবুৰীয়া আৰু আনকি শিক্ষক-ছাত্ৰৰ মাজত চলা কথা-বতৰাতো অভিনন্দনসূচক ওলগনিৰে হাঁহি-ধেমালিৰে কথা ক'লে একেধৰণে হাস্যমুখেৰে সঁহাৰি পায়। যি হাস্যমধুৰ পৰিৱেশ ৰচনা হ'ল সেই পৰিৱেশে অন্তৰত গৈ বহু দিনলৈ গুণগুণায়। পাৰস্পৰিক মৰম-প্ৰীতি আৰু সহৃদয়তাৰ বান্ধোন হয় বৰ মজবুত। সেয়ে কোৱা হয় এটা মাত্ৰ মিচিকিয়া হাঁহিৰে জগত জিনিব পাৰি। আবিৰৰ ৰংসনা নানাৰঙী হাঁহিয়ে মানুহক আড়ষ্ট অনুভৱ কৰায়। মিঠামুখীয়া হাঁহি এটিয়ে হেনো মানুহৰ বোবা যন্ত্ৰণাও লাঘৱ কৰিব পাৰে, নৰিয়াপাটীত পৰি থকা চিৰৰুগীয়াজনকো হঁহুৱাব পাৰে।

জ্ঞানীলোকে কয় বোলে— সৌন্দৰ্য উপভোগ কৰাজনক কোনোদিন বৃদ্ধৰ শাৰীত পেলাব নোৱাৰি। সুন্দৰৰ প্ৰতি থকা ভক্তি, অনুৰাগ-অনুভূতি জীৱনত জীৱন্ত, প্ৰাণৱন্ত আৰু সুতীব্ৰ কৰি ৰাখিবলৈ অন্তৰৰ সংগীত আমি গুপুতে গাই থাকিব লাগিব। জীৱনক প্ৰাণস্পন্দন কৰি ৰাখিবলৈ সুৰৰ লহৰ তুলিব লাগিব আমাৰ অন্তৰত। তাক তাৰ সময়ত সাৰ পানী দি সতেজ-সেউজীয়া কৰি ৰাখিব পৰাতো ভাল

বেলিৰ পোহৰ, তাপ আৰু উষ্ম্মস্পৰ্শত ফুলবোৰ যিদৰে পূৰ্ণ বিকশিত হৈ উঠে তেনেদৰে সুখানুভৱ, মনৰ উৎসাহ-উদ্দীপনা আৰু তীব্ৰ জীৱন লালসাৰ বলতে আমাৰ অন্তৰতে হাঁহিবোৰ ফুলি উঠিব ৰঙীন সৌৰভৰ ফুৰফুৰীয়া সুৱাসেৰে।

ফোন ঃ ৮৮২২১৮৮৬৭৯

এটি কলি দুটি পাতৰ কথা

সুশীল কুৰ্মী

আমি ভাবো যে 'চাহ' অসমীয়া ভাষাৰ শব্দ আৰু 'টি' (Tea) ইংৰাজী ভাষাৰ শব্দ। পিছে ভাষাবিদসকলৰ মতে কোনো এটা শব্দই অসমীয়া বা ইংৰাজী ভাষাৰ নিজা শব্দ নহয়। দুয়োটা শব্দই আহিছে চীনা ভাষাৰ পৰা। চীনা ভাষাৰ Chah শব্দৰ পৰা আহিছে অসমীয়াৰ 'চাহ' শব্দটো আৰু 'Tay' শব্দৰ পৰা আহিছে ইংৰাজীৰ Tea শব্দটো। এই কথা ১৯৬০ত প্ৰকাশিত Encyclopaedia Britannica নামৰ গ্ৰন্থখনত পৰিষ্কাৰ ভাৱে উল্লেখ আছে।

চাহৰ ব্যৱহাৰ প্ৰথম চীন দেশতে হৈছিল আৰু চাহৰ খেতিও প্ৰথম তেওঁলোকেই কৰিছিল। সেই সময়ত চাহক তেওঁলোকে পানীয় আৰু ঔষধ দুয়ো ৰকমেই ব্যৱহাৰ কৰিছিল। চীনাসকলৰ মতে চীনদেশত তেওঁলোকৰ ৰজা শ্বেন নঙে প্ৰথম চাহ গছ আৱিষ্কাৰ কৰিছিল আৰু চাহপাতৰ পৰা দৰৱ তৈয়াৰ কৰি বহুতৰে টান বেমাৰ ভাল কৰিছিল। সেয়ে তেওঁক আৰোগ্য দেৱতা বুলি কৈছিল। তেওঁ বন দৰৱৰ ওপৰত এখন পুথিও লিখিছিল। চীন দেশত এইখনেই বনদৰৱৰ প্ৰথম পুথি বুলি জনা যায়। পুথিখনত চাহপাতৰ বহু ধৰণৰ ঔষধি গুণৰ কথা উল্লেখ কৰিছে।

চীন দেশত চাহ গছ আৱিষ্কাৰ হোৱাৰ বহু বছৰৰ পাছতহে অসমত চাহ গছ আৱিষ্কাৰ হয়। দুয়োখন দেশৰ চাহ গছৰ জাত একেটাই বুলি বিজ্ঞানীসকলে মত পোষণ কৰে। চীন দেশত প্ৰথম চাহ গছ আৱিষ্কাৰ হ'লেও চাহ গছৰ আদি ভূমি চীন দেশ নহয় বুলি বিশ্বৰ উদ্ভিদ বিজ্ঞানীসকলে ক'ব খোজে। তেওঁলোকৰ মতে অসমেই হ'ল চাহ গছৰ আদি ভূমি। এই কথা বিখ্যাত লেখক উইলিয়াম এইছ উকাৰে তেওঁৰ 'All about tea' নামৰ গ্ৰন্থখনতো কৈছে। চীনা জাত আৰু অসমীয়া জাত চাহ গছৰ ওপৰত গৱেষণা কৰি বিখ্যাত উদ্ভিদ বিজ্ঞানী চেমুৱেল বেউলঙনেও চাহ গছৰ আদি ভূমি অসম বুলিয়েই কৈছে। তেওঁৰ মতে, অসমৰ চাহপাত চীনৰ চাহ পাততকৈ বেছি সবল আৰু ডাঙৰ। এই কথাৰ পৰা সহজে বিশ্বাস কৰিব পাৰি যে অসমৰ চাহ গছৰ সঁচটোহে প্ৰকৃত চাহ গছৰ সঁচ। আদিতে অসমৰ চাহ গছৰ সঁচ চীনলৈ যাওঁতে তাৰ অনুৰ্বৰ মাটিত গজাৰ কাৰণে তাৰ পাতবোৰ সৰু আৰু নিশকতীয়া হ'ল। চীনত প্ৰথম চাহ আৱিষ্কাৰ আৰু চাহখেতি কৰা হৈছিল যদিও অসমৰ পৰাহে চাহ গছৰ সঁচ চীনলৈ নিয়া হৈছিল বুলি বিশ্বৰ প্ৰসিদ্ধ উদ্ভিদ বিজ্ঞানীসকলে মত পোষণ কৰে। এই বিষয়ে জাভাৰ বিখ্যাত উদ্ভিদ বিজ্ঞানী ড° চি. পি. কহেন চুৱাৰ্চে গৱেষণাও কৰিছিল আৰু গৱেষণাৰ অন্তত অসমেই চাহ গছৰ আদি ভূমি বুলি মন্তব্য কৰে। চীন দেশত চাহ গছ আৱিষ্কাৰ হোৱাৰ বহু বছৰৰ পাছত অসমত চাহ গছ আৱিষ্কাৰ হোৱাৰ বহু বছৰৰ পাছত অসমত চাহ গছ আৱিষ্কাৰ হ'লেও বনৰীয়া গছৰূপে অসম ভূমিত চাহ গছ আছিল বুলি বিশ্বৰ উদ্ভিদ বিজ্ঞানীসকলে স্বীকাৰ কৰিছে।

এইখিনিতে এটা কথা আহি পৰে যে চাহৰ ব্যৱহাৰ প্ৰথমে কোনে কৰিছিল? চাহ গছৰ আৱিষ্কাৰক চীন নে চাহ গছৰ আদি ভূমি অসম। চীনৰ লোকসকলেই প্ৰথম চাহ গছ চিনি পাইছিল কাৰণে তেওঁলোকেই প্ৰথম চাহৰ ব্যৱহাৰ কৰিছিল বুলি বহুতে ক'ব খোজে। তেওঁলোকৰ মতে চীনদেশতে প্ৰথম চাহ ব্যৱহাৰ হৈছিল আৰু কালক্ৰমত ই জনপ্ৰিয়তা লাভ কৰাৰ কাৰণে চাহৰ ওপৰত 'চা-চিং' নামৰ প্ৰথম গ্ৰন্থখন চীন দেশতে ৰচনা হৈছিল। সেই সময়ত তেওঁলোকে চাহ্‌পাতক ঔষধি আৰু পানীয় এই দুয়ো ৰকমে ব্যৱহাৰ কৰিছিল। গ্ৰন্থখনৰ লেখক হ'ল লু-য়ু। গ্ৰন্থখনিত বহু কথাৰ ভিতৰত এটা কথা আছে যে চাহ গছবোৰ দুই ফুটৰ পৰা ২৫ ফুটলৈকে ওখ আছিল আৰু কিছুমান চাহ গছ ইমানেই শকত আছিল যে দুজন মানুহ লগ লাগি কোনোমতে গা গছটো গবা মাৰি ধৰিব পাৰিছিল।

আনফালেদি চাহ গছ বুলি চিনি নাপালেও অসমৰ চিংফৌ জনজাতিৰ লোকসকলে বনৰীয়া গছ বুলি ভবা এইবিধ চাহ গছৰ পাত সিঁজাই তাৰ পানী খালে অলসতা আৰু টোপনি ভাব দূৰ হয় বুলি ভাবি ইয়াক পানীয় হিচাপে যুগ যুগ ধৰি তেওঁলোকে ব্যৱহাৰ কৰি আহিছিল। তেওঁলোকে চাহক 'ফালাপ' বা 'ফানাপ' বুলিছিল। তেতিয়া অসমৰ হাবিত পোৱা বনৰীয়া চাহ গছবোৰো বৰ ডাঙৰ আছিল।



একো জোপা গছ ২৮/২৯ হাত পৰ্যন্ত ওখ আছিল। ওঠৰ শতিকাত কলকাতাৰ পৰা প্ৰকাশিত 'Asiatic Journal and Register (Vol-XX1)' ত এই কথা পোৱা যায়। চিংফৌ সকলে বাঁহৰ চুঙাত চাহ্‌পাত তৈয়াৰ কৰিছিল আৰু তাক ব্যৱহাৰ কৰিছিল। এই অভ্যাস এতিয়াও কিছু পৰিমাণে আছে। তেওঁলোকৰ কিছুমানে এতিয়াও কয় যে কলঘৰত তৈয়াৰ কৰা চাহ বাঁহৰ চুঙাত তৈয়াৰ কৰা চাহৰ নিচিনা হ'ব নোৱাৰে। বাঁহৰ চুঙাৰ চাহপাতৰ সোৱাদেই বেলেগ। মেচিনৰ চাহ পাতৰ হেনো সোৱাদ নাই। মেচিনে সকলো সোৱাদ হেনো মাৰি দিয়ে। সেয়া তেওঁলোকৰ ধ্যান ধাৰণা। তাত আমাৰ ক'বলগীয়া একো নাই।

জাপানীসকলে চাহক স্বৰ্গীয় পানীয় হিচাপে জ্ঞান কৰে। চাহক লৈ তেওঁলোকৰ মাজত বহুত কাহিনীও আছে। চাহক লৈ তেওঁলোকে বহুত কিতাপ-পত্ৰও লিখিছে। 'Kitcha YoJoki' নামৰ গ্ৰন্থখন হ'ল জাপানী ভাষাত চাহৰ ওপৰত লিখা প্ৰথম গ্ৰন্থ। গ্ৰন্থখন প্ৰকাশ পাইছিল ৭৮০ত। জাপানতো চাহপাত এক ৰকমৰ বনৌষধি ৰূপে ব্যৱহাৰ হয়। এবাৰ জাপানৰ ৰজাৰ বেমাৰ হোৱাত কোনো দৰৱে কাম নিদিয়াত চাহ খায়ে হেনো সেই বেমাৰ ভাল পাইছিল। জাপানত অতীজৰে পৰা আজিও প্ৰতিবছৰে চাহ উৎসৱ পালন কৰে।

তিব্বত আৰু ভূটানতো অতীত কালৰে পৰা চাহৰ প্ৰচলন আছিল। তিব্বতত লামাসকলে প্ৰাৰ্থনাৰ পাছত সদায় চাহ পান কৰে। জাপানৰ দৰে তিব্বত আৰু ভূটানেও চাহক স্বৰ্গীয় পানীয় হিচাপে গণ্য কৰে।

পুৰণি কালত বিশ্বৰ বিভিন্ন দেশৰ মানুহে বিভিন্ন ধৰণে চাহপান কৰিছিল। তাৰে আমি জানিবলৈ পোৱাখিনি এনেধৰণৰ— ভূটানত আগতে চাহ পি খোৱাতকৈ চুৰুহা কৰি খাইছিল। ৰাছিয়াত নেমু চেপি ফিকা চাহ খাইছিল। ঠাণ্ডাৰ দিনত আকৌ এচামুচমান মদ মিহলাই খাইছিল। গ্ৰেট ব্ৰিটেইনত গৰম চাহৰ লগত বৰফৰ গুৰি মিহলাই খাইছিল। ম্যানমাৰত কেঁচা চাহপাত সিজাই লৈ বাঁহৰ চুঙাত সুমুৱাই থয় আৰু পাছত তাৰ পৰা অলপ অলপকৈ উলিয়াই আচাৰ হিচাপে খাইছিল। মংগোলীয়সকলে আকৌ নিমখ পানীৰ লগতে কেঁচা চাহপাত সিজাই চুপৰ দৰে কৰি খাইছিল। কেতিয়াবা তাৰ লগত অলপ পিঠা গুৰিও মিহলাই লৈছিল। চিংফৌ আৰু খামতিসকলে কেঁচা চাহপাতবোৰ সৰু সৰুকৈ কাটি পানীত সিঁজাই ৰদত শুকুৱাই লাডু কৰি খাইছিল। টাংচাসকলে কেঁচা বাহঁৰ চুঙাত কেঁচা চাহপাত ভৰাই জুইত পুৰি চুঙা পিঠা কৰি খাইছিল।

পৃথিৱীৰ ভিতৰত বেছি চাহপাত উৎপাদন হয় চীনত। তাৰ পিছতে হয় ভাৰতত। প্ৰাপ্ত তথ্য মতে, ২০১৪ত চীনত মুঠ চাহ উৎপাদন হৈছিল ২.১ নিযুত টন আৰু ভাৰতত হৈছিল ১.২ নিযুত টন। চাহ উৎপাদনত ভাৰতক দুটা ভাগত ভাগ কৰিব পাৰি। উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰত উত্তৰ ভাৰতত মুখ্যতঃ চাহ উৎপাদন হয় অসম আৰু পশ্চিমবংগত। এই দুই ৰাজ্যৰ চাহ পাতৰ গুণগত মানও উন্নত। অসম আৰু দাৰ্জিলিঙৰ চাহৰ নাম বিশ্বত আছে। সেইদৰে দক্ষিণ ভাৰতত মুখ্যত চাহ উৎপাদন হয় কেৰালা আৰু তামিলনাডুত। উল্লিখিত অসম, পশ্চিমবংগ, কেৰালা আৰু তামিলনাডু এই চাৰিখন ৰাজ্যত ২০১৫-১৬ত দেশৰ মুঠ উৎপাদনৰ ৯৭.৪ শতাংশ চাহ উৎপাদিত হৈছিল বুলি ভাৰতীয় চাহ ব'ৰ্ডৰ ৰিপ'ৰ্টত প্ৰকাশ পাইছে।

এশিঙীয়া গঁড়ক লৈ অসমে গৌৰৱ কৰাৰ দৰে চাহক লৈয়ো অসমে গৌৰৱ অনুভৱ কৰে। কিন্তু বৰ দুখৰ বিষয় যে গৌৰৱ অনুভৱ কৰা এই দুয়োবিধৰে অৱস্থা আজি বৰ ভাল নহয়। চোৰাংচিকাৰীৰ কবলত পৰি গঁড়ৰ জীৱন বিপদাপন্ন হোৱাৰ দৰে শোষণকাৰী চাহ মালিকৰ কবলত পৰি চাহ বাগিচা আৰু চাহ শ্ৰমিকৰ জীৱনো বিপদাপন্ন হৈ পৰিছে। সমগ্ৰ ভাৰতবৰ্ষই উৎপাদন কৰা মুঠ চাহৰ আধাতকৈ বেছি চাহ উৎপাদন হোৱাৰ লগতে গুণগত মান উন্নত হোৱা সত্ত্বেও অসমৰ চাহ বাগিচালৈ অশনি সংকেত আহিব ধৰিছে। চাহ বাগিচাক কেন্দ্ৰ কৰি বিধানসভাৰ মজিয়াত ১১ ছেপ্টেম্বৰ (১৭)ত মুখ্যমন্ত্ৰীয়ে এই বুলি ক'লে,— 'এটা সময়ত বিশ্বৰ বজাৰত দপদপাই থকা অসমৰ চাহ তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। কিয়নো অসমৰ লগতে বিশ্বৰ বজাৰত শক্তিশালী ৰূপত প্ৰৱেশ ঘটিছে, আফ্ৰিকা, শ্ৰীলংকা আৰু চীনদেশৰ চাহৰ। এই প্ৰতিযোগিতাত তিষ্ঠি থাকিবলৈ হ'লে অসমেও উন্নত ব্যৱস্থাৰে বজাৰত প্ৰৱেশ কৰিব লাগিব। অসমৰ চাহ শ্ৰমিকৰ দক্ষতাৰ অভাৱ নাই। তেওঁলোকৰ বাবে অসমৰ চাহে সুকীয়া পৰিচয় পাইছে। তেনে ক্ষেত্ৰত তেওঁলোকৰ উন্নতি কৰিব নোৱাৰিলে আমাৰ দক্ষতা ক'ত থাকিব।' কিন্তু বৰ দুখৰ বিষয় যে অসম চৰকাৰৰ হাতত চাহ বাগিচা আৰু চাহ শ্ৰমিকৰ সঠিক তথ্য পাবলৈ নাই। নহ'লেনো বিধানসভাৰ মজিয়াত চাহ জনগোষ্ঠীৰ বিজেপি বিধায়ক তেৰছ গোৱালাই ক'ব লগা হয়নে 'শ্ৰম' বিভাগৰ তথ্য মতে অসমত চাহ বাগিচা আছে ৮০০খন আৰু চাহ শ্ৰমিক আছে ৭.৫০ লাখ জন।' আনহাতেদি, ভৱিষ্যনিধিৰ তথ্য মতে অসমত চাহ বাগিচা আছে ১০৫০খন আৰু চাহ শ্ৰমিক আছে ৯.৫১ লাখ জন। বিধানসভাৰ আলোচনাত অংশ লৈ আকৌ শ্ৰমমন্ত্ৰী পল্লৱলোচন দাসে কয়, 'স্পষ্ট নীতিৰ অভাৱত প্ৰচলিত আইনসমূহে চাহ শ্ৰমিকসকলক সুৰক্ষিত কৰিব পৰা নাই। সেয়েহে ব্ৰিটিছে আৰম্ভ কৰা শোষণ আজিও চলি আছে। একেদৰে চাহ শ্ৰমিকৰ দৈনিক মজুৰি নিৰ্ধাৰণৰ ক্ষেত্ৰতো কোনো স্পষ্ট নীতি নাই। গতিকে বৰাক উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত দৈনিক মজুৰি বেলেগ বেলেগ। বৰ্তমানে কিমান হেক্টৰ মাটিত কিমানখন চাহ বাগিচা আছে আৰু এই বাগিচাসমূহৰ পৰা কিমান চাহ উৎপাদন হয় আৰু উৎপাদিত চাহসমূহ কিমান দৰত বিক্ৰী হয় সেই বিষয়ে প্ৰকৃত তথ্য আহৰণৰো উপায় নাই। তাতোকৈ ডাঙৰ কথা যে কেতিয়া কোনখন বাগিচাৰ মালিক সলনি হয় সেই বিষয়ে চৰকাৰে গমকে নাপায়। সেয়ে ব্যৱস্থাৰ পৰিৱৰ্তন হ'বই লাগিব। মালিক পক্ষক সঠিকভাৱে নিয়ন্ত্ৰণ কৰিব পাৰিলেহে চাহ শ্ৰমিকসকল সুৰক্ষিত হ'ব।'

ফোন ৯৪৩৫০৮০১৫৯

নৱগ্ৰহ মন্দিৰৰ বাৰ্ষিক মহাযজ্ঞ

প্ৰদীপ কাকতি

নৱগ্ৰহ অৰ্থাৎ নটা গ্ৰহৰ মন্দিৰ। গ্ৰহ কেইটা হ'ল—মংগল, বুধ, বৃহস্পতি, শুক্ৰ, শনি, ৰবি, ৰাহু, কেতু আৰু চন্দ্ৰ। এই প্ৰসিদ্ধ নৱগ্ৰহ মন্দিৰ গুৱাহাটী মহানগৰীৰ মাজমজিয়াত চিত্ৰাচল পাহাৰত অৱস্থিত। উল্লেখ্য যে উত্তৰ-পূৰ্বাঞ্চল তথা ভাৰতবৰ্ষৰ একমাত্ৰ গ্ৰহ পূজাৰ বাবে নৱগ্ৰহ মন্দিৰে তথা জ্যোতিষ চৰ্চাৰ কেন্দ্ৰৰূপে আজিও নিজ অস্তিত্ব বহন কৰি আহিছে। নটা গ্ৰহৰ বিগ্ৰহ মন্দিৰটোত থকা বাবে আদিৰে পৰা ৰাজ্যখনৰ বিভিন্ন ঠাইৰ উপৰিও দেশ-বিদেশৰ পৰ্যটকৰ বাবে মন্দিৰটো এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰা পৰিলক্ষিত হৈছে। আমাৰ মনত পৰা মতে ১৯৬০ৰ প্ৰায় মাজভাগলৈ মন্দিৰলৈ যাব পৰাকৈ মাত্ৰ এটা লুংলুঙীয়া কেঁচা পথহে আছিল; কিন্তু পৰৱৰ্তী সময়ত পকী ৰাস্তা নিৰ্মাণ কৰা হয় তীৰ্থযাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি। বৰ্তমানৰ ৰাস্তাটো গড়কাপ্তানী বিভাগে ২০১০ত আটকধুনীয়াকৈ নিৰ্মাণ কৰে।

প্ৰবাদ আছে যে সৃষ্টিৰ পাতনি মেলাৰ সময়ত ভগৱান বিষ্ণুৰ আদেশক্ৰমে সৃষ্টিকৰ্তা ব্ৰহ্মাই পৱিত্ৰস্থান বিচাৰি উজ্জ্বল আভাৰে জ্যোতিষ্মান অসম মুলুকলৈ আহি এই ঠাইতেই তপস্যা আৰম্ভ কৰিছিল আৰু তপস্যাৰ অন্তত কেতবোৰ জ্যোতিষ্কৰ আবিৰ্ভাৱ হ'ল আৰু সেইবোৰেই হ'ল গ্ৰহ। ব্ৰহ্মাই এই গ্ৰহবোৰৰ মাজৰ পৰা নটা গ্ৰহক বিশেষভাৱে নিৰ্বাচন কৰি নৱগ্ৰহৰূপে এই স্থানত স্থাপন কৰি ইয়াৰে ওচৰে-পাঁজৰে থকা কন্বাচল, বশিষ্ঠাশ্ৰম আদিৰ পৰা ঋষি-মুনিসকলক আনি ব্ৰহ্মাই নিজ তপস্যাৰ ফলত পোৱা জ্ঞানখিনি দি পূজা-অৰ্চনা আগবঢ়াই থাকিবলৈ উপদেশ দিয়ে। এই ঋষিসকলৰ বংশধৰসকলেই জ্যোতিৰ্বিজ্ঞানৰ এই বিদ্যাটোক আগবঢ়াই নিয়ে বুলি জনা যায়। পুৰণি প্ৰাগজ্যোতিষপুৰত অসুৰৰ ৰাজত্বৰ সময়ত শিলৰ মন্দিৰ নিৰ্মাণ কৰি ইয়াত পূজা-অৰ্চনা চলিছিল; কিন্তু পৰৱৰ্তী কালত নানা প্ৰাকৃতিক দুৰ্যোগত সেই শিলৰ মন্দিৰ ধ্বংসপ্ৰাপ্ত হোৱাত আহোম ৰাজত্বৰ সময়ত ১৬৭৪শক অৰ্থাৎ ১৭৫২ত আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই পোৰা মাটিৰ ইটাৰে মন্দিৰটো পুনৰ নিৰ্মাণ কৰে। নৱগ্ৰহ মন্দিৰ নিৰ্মাণৰ বাবে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহই প্ৰাগজ্যোতিষপুৰৰ মন্ত্ৰী বৰফুকন তৰুণ দুৱৰাক দায়িত্ব দিছিল।

আদিত্যাদি নৱগ্ৰহ দেৱালয়ৰ সন্মুখত যিখন শিলালিপি খোদিত আছে সেইখনত স্পষ্টভাৱে এই কথা লিখা আছে বুলি মন্দিৰৰ বৰ্তমানৰ দলৈয়ে সদৰী কৰে।

কিন্তু অতি পৰিতাপৰ বিষয় যে মন্দিৰৰ প্ৰৱেশদ্বাৰত যিখন শিলালিপি আছে সেইখনৰ উপযুক্ত সংৰক্ষণৰ অভাৱত নষ্ট হৈ যোৱাৰ উপক্ৰম হৈছে। অসম চৰকাৰৰ পুৰাতত্ত্ব বিভাগে এই বিষয়ে অলপ চিন্তা-চৰ্চা কৰি শিলালিপিখন সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজন।

উল্লেখ্য যে নৱগ্ৰহ মন্দিৰ অতি প্ৰাচীন যদিও এই মন্দিৰ পৰিচালনাৰ আনুষ্ঠানিকতা আৰম্ভ হয় ১৯৩১ৰ পৰাহে। ইয়াৰ আগতে পুৰোহিতসকলে নানা কষ্ট স্বীকাৰ কৰি দেৱালয়ত স্থাপিত গ্ৰহ-নক্ষত্ৰসমূহ চোৱা-চিতা কৰিছিল। সেই সময়ত এই অঞ্চল আছিল ঘন হাবিৰে আৱৰা আৰু বান্দৰকে ধৰি নানা জন্তুৰ বাসস্থান। ক্ৰমে মন্দিৰলৈ দৰ্শনাৰ্থীৰ সংখ্যা বাঢ়িবলৈ ধৰাত পূজাৰীসকলৰ দায়িত্বও বাঢ়িল। সেয়েহে মন্দিৰ পৰিচালনাৰ বাবে গঠন কৰা হ'ল নৱগ্ৰহ মন্দিৰ পৰিচালনা সমিতি আৰু সৃষ্টি কৰা হ'ল 'দলৈ' পদৰ। দলৈজন কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তৰ ওচৰত দায়বদ্ধ। বৰ্তমান কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত হ'ল মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি। উল্লেখ্য যে প্ৰয়াত লক্ষীকান্ত দেৱশৰ্মা প্ৰথম দলৈ হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। নৱগ্ৰহ দেৱালয়ৰ প্ৰথমজন পুৰোহিত আছিল শ্ৰীশ্ৰী অচ্যুতানন্দ দেৱশৰ্মা আৰু বৰ্তমানৰ দেৱালয়ৰ পূজাৰীসকল এইজনা পুৰোহিতৰ বংশধৰ বুলি জনা যায়। নৱগ্ৰহ দেৱালয়ৰ দলৈসকলৰ নামৰ তালিকাত প্ৰিয়নাথ শৰ্মা দলৈৰ নামটো সোণালী আখৰেৰে লিখা থাকিব। তেওঁৰ কৰ্তব্যনিষ্ঠা, নিয়মানুবৰ্তিতা আৰু প্ৰশাসনীয় দক্ষতাৰ ফলতে দেৱালয়ৰ বৰ্তমানৰ এই অৱস্থা পাইছে বুলি ক'লেও বঢ়াই কোৱা নহ'ব। মন্দিৰৰ বৰ্তমানৰ আন্তঃগাঁথনি, বিজুলীবাতি, পানী যোগান, পথ আদি এইজনা দলৈৰ দিনতে সম্পন্ন হৈছিল। প্ৰিয়নাথ দলৈৰ মৃত্যুৰ পাছত প্ৰতাপ শৰ্মা 'দলৈ' হিচাপে নিৰ্বাচিত হয়। তেওঁৰ পাছত বিমল শৰ্মা 'দলৈ' হিচাপে নিৰ্বাচিত হয় আৰু তেওঁ বৰ্তমানো দলৈ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।

নৱগ্ৰহ মন্দিৰৰ পিছফালে আছে সিদ্ধাশ্ৰম, গণেশ মন্দিৰ, শিৱমন্দিৰ আৰু এটা দুৰ্গা মন্দিৰ। এই নৱগ্ৰহ মন্দিৰৰ সোঁকাষে (উত্তৰ দিশত) যজ্ঞকুণ্ডসহ যজ্ঞগৃহ আছে। এই যজ্ঞকুণ্ডত মন্দিৰৰ মূল উৎসৱ হিচাপে প্ৰতিবছৰে মাঘ-ফাগুন মাহৰ সংক্ৰান্তিত ১৯৩৩ৰ পৰা নৱগ্ৰহ মহাযজ্ঞ পালন কৰি অহা হৈছে। নৱগ্ৰহৰ বাৰ্ষিক মহাযজ্ঞ যজুৰ্বেদোক্ত অনুসাৰে তান্ত্ৰিক পদ্ধতিৰে মন্ত্ৰৰে সুকীয়া কাঠৰ দ্বাৰা আহুতি দিয়া হয়। যজ্ঞৰ আগদিনা সন্ধিয়া সকলো পুৰোহিতৰ উপস্থিতিত এক অধিবাস পালন কৰা হয়। এই অধিবাসৰ মতে নৱগ্ৰহক নতুনকৈ স্নান কৰাই নতুন বস্ত্ৰাদি দি পূজা কৰা হয়। যজ্ঞৰ দিনা পুৱা ৰাইজৰ মংগলাৰ্থে নান্দীমুখ শ্ৰাদ্ধ কৰা হয়। শ্ৰাদ্ধৰ অন্তত উদ্যোক্তাসকলে সূৰ্যদেৱতাক আৰাধনা কৰি সূৰ্যৰ পৰা অগ্নি আহৰণ কৰে আৰু সেই অগ্নিকে যজ্ঞকুণ্ডত অগ্নি প্ৰজ্বলিত কৰি প্ৰত্যেক গ্ৰহৰ বীজ মন্ত্ৰৰে গ্ৰহভেদে বিভিন্ন কাঠৰ স'তে আহুতিত ঘিৰ লগত ধান, তিল, সৰিয়হ, যব আদি দিয়া হয়।

যজ্ঞৰ শেষৰ দিনা ১০ হেজাৰ মন্ত্ৰৰে আহুতি দিয়াৰ পাছত দ্ৰব্য, বস্ত্ৰ, ফল আদিৰে পূৰ্ণাহুতি দিয়া হয়। পূৰ্ণাহুতিত মন্দিৰৰ সকলো পূজাৰী আৰু ভক্তবৃন্দৰ হৈ প্ৰথমে দলৈয়ে মুখ্য হোতাৰ সহযোগত যজ্ঞকুণ্ডত তিনিবাৰকৈ যজ্ঞকুণ্ড প্ৰদক্ষিণ কৰি আহুতি দিয়ে।



কোৱা বাহুল্য যে ৰাজ্য চৰকাৰৰ পুৰাতত্ত্ব বিভাগ তথা পৰ্যটন বিভাগৰ চৰম গাফিলতিৰ ফলস্বৰূপে দেশ-বিদেশৰ পৰা অহা পৰ্যটকসকলে নৱগ্ৰহৰ বিস্তৃত ইতিহাস পাবলৈ সক্ষম নহয়। ৰাজ্যৰ পৰ্যটন বিভাগে নৱগ্ৰহ মন্দিৰটোক যদিও পৰ্যটনস্থলী হিচাপে স্বীকৃতি প্ৰদান কৰিছে এই বিভাগৰ হেমাহিৰ বাবে পৰ্যটকক আকৰ্ষিত কৰিবলৈ কোনো বিশেষ ব্যৱস্থা লোৱা আমাৰ দৃষ্টিগোচৰ হোৱা নাই।

বিমল শৰ্মা দলৈৰ মতে বৰ্তমান ৬০জন পূজাৰী এই মন্দিৰত আছে আৰু তেওঁলোকৰ দৰমহা মন্দিৰৰ পৰা সংগ্ৰহ হোৱা দক্ষিণা আদিৰে দিয়া হয়। বৰ্তমান ৰাজ্য তথা বহিঃৰাজ্যৰ পৰা নিতৌ গড়ে পাঁচশজন তীৰ্থযাত্ৰীয়ে মন্দিৰ দৰ্শন কৰিবলৈ আহে আৰু বিশেষকৈ শনিবাৰ, দেওবাৰ আৰু কিছুমান বিশেষ উৎসৱত মন্দিৰত বহু দৰ্শনাৰ্থীৰ সমাগম হয়।

বিগত বহুকেইবছৰ ধৰি ৰাজ্য চৰকাৰে মন্দিৰটোলৈ কোনো বাৰ্ষিক অনুদান দিয়া নাই। আমি চৰকাৰক অনুৰোধ কৰিব খোজো যে মন্দিৰটো সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ অন্ততঃ বছৰি ১৫ লাখ টকা দিয়াটো বাঞ্ছনীয়।

মূল মন্দিৰৰ প্ৰৱেশদ্বাৰৰ সোঁকাষে শ্ৰীশ্ৰীগণেশ, শিৱ, শ্ৰীবিষ্ণু, শ্ৰীলক্ষ্মীদেৱীৰ বিগ্ৰহ স্থাপন কৰা হৈছে আৰু মন্দিৰৰ বহিঃ বেৰত বিষ্ণুৰ দশৱতাৰকে ধৰি বিভিন্ন মূৰ্তি খোদিত কৰা হৈছে।

উল্লেখ্য যে দৰ্শনাৰ্থীয়ে নৱগ্ৰহ মন্দিৰ দৰ্শন কৰাৰ সময়ত বিভিন্ন গ্ৰহৰ প্ৰতিকাৰৰ বাবে পূজা দিয়াৰ সময়ত গ্ৰহভেদে বিভিন্ন বস্ত্ৰ দান কৰে। বিভিন্ন গ্ৰহৰ বস্ত্ৰ হ'ল তলত উল্লেখ কৰা ধৰণে— শনি-ক'লা; সূৰ্য-ৰঙা, চন্দ্ৰ-বগা; মংগল-ৰঙা; বুধ-নীলা বা গোলাপী; বৃহস্পতি-হালধীয়া, শুক্ৰ-ফুলাম; ৰাহু-নীলা আৰু কেতু-ধোঁৱা বৰণীয়া।

ফোন ঃ ৯০৮৫৩১২২৬৪